জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৯/২০২১

# বিশিষ্ট কবি সনন্ত তাঁতিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৫ নৱেম্বৰ ঃ** অসমীয়া কাব্য সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ, সাহিত্য অকাডেমি বঁটা প্ৰাপক বিশিষ্ট কবি সনন্ত তাঁতিৰ  বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমীয়া কবিতাৰ এক শক্তিশালী কণ্ঠ সনন্ত তাঁতিৰ বিয়োগে ৰাজ্যখনৰ বৌদ্ধিক জগতত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে। সত্তৰ দশকতে কবিতাৰ জগতখনত আত্মপ্ৰকাশ কৰা বিশিষ্ট কবিগৰাকীয়ে বহু যুগজয়ী কবিতা সৃষ্টিৰে অসমীয়া সাহিত্যত এক গভীৰ ছাপ সৃষ্টি কৰি গৈছে। গভীৰ জীৱনবোধৰ আধাৰত ৰচিত তেওঁৰ কবিতাসমূহে অসমীয়া কবিতালৈ এক নব্যচেতনা কঢ়িয়াই আনিছিল। 'কাইলৈৰ দিনটো আমাৰ হ'ব' শীৰ্ষক কাব্য সংকলনৰ বাবে ২০১৮ চনৰ সাহিত্য অকাডেমি বঁটা লাভ কৰা বিশিষ্ট কবিগৰাকীয়ে অসম উপত্যকা সাহিত্য বঁটাকে ধৰি বহুকেইটা বঁটা আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। অসম চৰকাৰৰ শিশু সাহিত্য ন্যাস, অসম সাহিত্য সভা, আকাশবাণী গুৱাহাটী, সাহিত্য অকাডেমি আদি বহুকেইটা সংস্থাৰ কাৰ্যনিৰ্বাহক সমিতি তথা উপদেষ্টা সমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা এইগৰাকী বিশিষ্ট কবিৰ বিয়োগ ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সনন্ত তাঁতিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ**
**২৫-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in